অধ্যায় ৩ ৰজনীকান্ত বৰদলৈ – জীৱন আৰু কৃতি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ অসমীয়া উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ
৩.৪ ৰজনীকান্ত বৰদলৈ উপন্যাসৰাজিৰ এটি পৰিচয়
৩.৫ ৰজনীকান্ত বৰদলৈ উপন্যাসৰ বিশেষত্ব
৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৭ অধিক জানিবলৈ
৩.৮ অগ্ৰগতিৰ খতিয়ান
৩.৯ সম্ভাব্য প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি–

- উপন্যাস শব্দটোৰ ব্যুৎপত্তিগত অর্থ আৰু সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বৰ ৰেহ-ৰূপ কেনেকুৱা আছিল তাৰ ধাৰণা লাভ কৰিব
- জোনাকী কাকতে ত্বৰান্বিত কৰা অসমীয়া উপন্যাস ৰচনাৰ গতিৰ বিষয়ে যৎকিঞ্চিত আভাস পাব
- অসমীয়া ঐতিহাসিক উপন্যাস সম্বন্ধে সম্যক ধাৰণা লাভ কৰিব
- অসমীয়া উপন্যাস সাহিত্যলৈ ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ অৱদান সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব
- তেওঁৰ দ্বাৰা ৰচিত উপন্যাসসমূহৰ বৈশিষ্ট্যৰ বিষয়ে আভাস লাভ কৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি স্বাধীনোত্তৰ কাললৈকে অসমীয়া উপন্যাসৰ সামগ্ৰিক বিকাশধাৰা সম্পর্কে অধ্যয়ন কৰিলে। সেই আলোচনাৰ জৰিয়তে অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাস আৰু বিভিন্ন ধাৰাৰ বিষয়ে এক সামগ্ৰিক ধাৰণা লাভ কৰিছে।

এই অধ্যায়ত অসমীয়া উপন্যাস সাহিত্যৰ অন্যতম পথিকৃৎ ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ জীৱন আৰু সাহিত্যকৃতিৰ বিষয়ে আলোচনা কৰা হ'ব। তেওঁৰ সাহিত্য-জীৱন, উপন্যাসসমূহৰ বিষয়বস্তু, শিল্পচেতনা আৰু উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা হ'ব। অধ্যায়টি অধ্যয়ন কৰিলে অসমীয়া উপন্যাস সাহিত্যত ৰজনীকান্ত বৰদলৈৰ অৱদান আৰু স্থান সম্পর্কে সুস্পষ্ট ধাৰণা লাভ কৰিব পাৰিব।

আমি আটায়ে জানো যে 'উপন্যাস' আধুনিক কালৰ কাহিনী প্ৰধান কথাশৈলী। সাহিত্যৰ আটাইবোৰ উপকৰণৰ ভিতৰত সৰ্বোৎকৃষ্ট আৰু শিথিলবন্ধী উপকৰণ হ'ল উপন্যাস। উপন্যাসত মানৱ জীৱনৰ সৰু-বৰ ঘটনাৰ পৰা আৰম্ভ কৰি এফালে আধ্যাত্মিক জীৱনৰ গভীৰ তত্ত্বলৈ আৰু আনপিনে বিজ্ঞানৰ সত্য অন্বেষণ পৰ্যন্ত প্ৰায় সকলো বিষয়েই অন্তৰ্ভুক্ত হোৱাটো বিশেষ তাৎপৰ্যপূৰ্ণ কথা।

উপন্যাস যিদৰে এফালে মুক্ত তেনেদৰে স্বতন্ত্ৰও। সেই বাবে ই বিশুদ্ধ সাহিত্যৰ অন্তৰ্ভুক্ত হ'ব পাৰিছে। তদুপৰি উপন্যাস ৰচনাৰ তেনে কোনো ধৰা-বন্ধা ৰীতি নথকাত ইয়াৰ ৰচনা-ৰীতিও সৰল। কিন্তু এইটোও ঠিক যে ৰচনা ৰীতি সৰল হ'লেও লেখকৰ প্ৰতিভা অবিহনে সন্মুখত উৎকৃষ্ট কথাবস্তু থকা সত্ত্বেও এখন ভাল উপন্যাস সৃষ্টি নহ'ব পাৰে। গতিকে ঔপন্যাসিকজনে লিখন ৰীতিত প্ৰতিভাধৰ হোৱা বাঞ্ছনীয়।

'উপন্যাস' পাশ্চাত্য সাহিত্যত কিছু পুৰণি যদিও ভাৰতীয় সাহিত্যত ইয়াৰ ইতিহাস অৰ্বাচীন। দৰাচলতে মিছনেৰীসকলৰ দিনত ভাৰতীয় আঞ্চলিক ভাষাৰ বহুকেইটা ভাষাত কিছুমান গদ্য কাহিনীৰ সৃষ্টি হৈছিল। উল্লেখযোগ্য যে সেই সময়ৰ গদ্য কাহিনীবোৰৰ মূল বিষয়বস্তু আছিল ধৰ্মীয়, ব্যঙ্গাত্মক আৰু ঐতিহাসিক। অসমৰ প্ৰসংগত ক'ব পাৰি যে মিছনেৰীৰ উদ্যোগত ৰচিত প্ৰায়বোৰ গদ্য কাহিনীৰ মূল উপজীব্য আছিল খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰা। মাথোন বিষয়বস্তুত কল্প কাহিনী এটা সংযোগ কৰি দিয়া হৈছিল। স্বাধীনতা যুদ্ধৰ কালছোৱাত অসমীয়া উপন্যাসলৈ এটা পৰিৱৰ্তন আহে। এই সময়ছোৱাত ৰচিত উপন্যাসবোৰৰ বিষয়বস্তুৰ লগতে আঙ্গিকৰ দিশতো পৰিৱৰ্তন সূচীত হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত উপন্যাসৰ পূৰ্বতকৈয়ো অধিক পৰিৱৰ্তন ঘটিবলৈ ধৰে। তদুপৰি বিভিন্ন পৰীক্ষা-নিৰীক্ষাও চলিবলৈ ধৰে। তেনে পৰিৱৰ্তনৰ ভিতৰত সামাজিক আৰু নৈতিক পৰিৱৰ্তন উল্লেখনীয় আছিল। যেনে সামাজিক অবিচাৰ, বৰ্ণ বৈষম্য, দৰিদ্ৰতা, দুৰ্নীতি, শোষণ, নাৰীমুক্তিৰ প্ৰচেষ্টা, আধুনিক শিক্ষা ব্যৱস্থা, ৰাজনৈতিক অস্থিৰতা, নতুন যুগৰ মানসিকতা তথা মানৱতাবাদ, অস্তিত্ববাদ, ইত্যাদিয়ে উপন্যাসত প্ৰৱেশ কৰাৰ লগে লগে প্ৰাচীন ৰীতিও পৰিহাৰ কৰিলে।

এইদৰে এই অধ্যায়টিত আমি অসমীয়া উপন্যাসৰ ইতিহাস সংক্ষিপ্তভাৱে চিত্ৰিত কৰাৰ লগতে এটা যুগক প্ৰায় অকলেই প্ৰতিনিধিত্ব কৰা বৰেণ্য ঐতিহাসিক ঔপন্যাসিক, অসমৰ স্কট নামে জনাজাত উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ উপন্যাস কৃতিৰ বিষয়ে আলোচনা কৰিম।

ৰজনীকান্ত বৰদলৈ এজন সক্ৰিয় আৰু প্ৰভাৱশালী ঔপন্যাসিক। তেওঁ এখন সামাজিক উপন্যাস সহ সৰ্বমুঠ নখন উপন্যাস ৰচনা কৰে। ৰজনীকান্ত বৰদলৈ আৰু তেওঁৰ উপন্যাস সম্বন্ধে স্থানান্তৰত আলোচনা কৰা হ'ব। সেয়েহে ইয়াত তেওঁৰ উপন্যাস সম্বন্ধে বিস্তৃত আলোচনা কৰাৰ পৰা বিৰত থাকিলোঁ।

৩.৩ অসমীয়া উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ

অসমীয়া উপন্যাস সাহিত্যৰ সৈতে ৰজনীকান্ত বৰদলৈৰ নাম ওতপ্ৰোতভাৱে জড়িত। ইয়াৰ কাৰণ এইটোৱে যে বৰদলৈয়ে অকলেই এটা যুগত ঐতিহাসিক বিষয়ক মূল বিষয়বস্তু হিচাপে লৈ এলানি উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাসৰ প্ৰাণ প্ৰতিষ্ঠা কৰি থৈ গৈছে। কেৱল প্ৰাণ প্ৰতিষ্ঠা কৰাই

নহয়, ঐতিহাসিক ঔপন্যাসিক হিচাপে আজিলৈ দ্বিতীয় এজন ঔপন্যাসিক অসমীয়া সাহিত্যত ওলোৱা নাই। যিটো সময়ত কলাপ্রেমী পাঠকসকলে অসমীয়া উপন্যাসৰ ৰসাস্বাদন কৰাৰ সুবিধা পোৱা নাছিল অথবা যিটো সময়ত সামাজিক জীৱনৰ স্থবিৰতা আৰু বৈচিত্র্যহীনতাই উপন্যাস ৰচনাৰ বাট প্রায় ৰুদ্ধ কৰা বুলি ভবা হৈছিল, সেই সময়ত তেওঁ এখন এখনকৈ নখন উপন্যাস ৰচনা কৰি যি অসাধ্য সাধন কৰিলে তাৰ বাবে তেওঁ উপন্যাস সম্রাট সন্মানৰো যোগ্য অধিকাৰী। জোনাকী যুগৰ পৰা আৱাহন যুগলৈকে অদ্ধৰ্ শতাব্দী কাল তেওঁ নিৰৱচ্ছিন্নভাৱে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিলৈ অবিস্মৰণীয় অৱদান দি গ'লেও উপন্যাসৰ ক্ষেত্রত বৰদলৈ অসমীয়া সাহিত্যত অদ্বিতীয় সাহিত্যিক ৰূপে সন্মানিত হৈ আহিছে। ব্যাপক অভিজ্ঞতা, গভীৰ উপলব্ধি, সূক্ষ্ম অনুভূতি, উদাৰ দৃষ্টিভংগী আৰু অনির্বচনীয় অসম-প্রীতিৰ মানসিকতাই বৰদলৈৰ উপন্যাসৰাজিক বর্তমানেও পাঠক সমাজত সজীৱ আৰু আদৰণীয় কৰি ৰাখিছে। তদুপৰি যিকেইখন উপন্যাস তেওঁ ঐতিহাসিক বিষয়বস্তুক মূল বিষয় হিচাপে গ্রহণ কৰি ৰচনা কৰিছে, সেই কেইখনৰ জৰিয়তে বৰদলৈয়ে অসম বুৰঞ্জীৰ কেতবোৰ গুৰুত্বপূর্ণ ঘটনা কাহিনীৰ আলমত দাঙি ধৰি সমাজক অৱগত কৰাইছে। তেওঁ জনশ্রুতিমূলক আৰু অখ্যাত বা অদ্ধৰ্াবৃত্ত ঘটনা কিছুমান পোহৰলৈ আনিছে। তদুপৰি বৰদলৈয়ে অসম বুৰঞ্জীৰ গৌৰৱময় অধ্যায়, বুৰঞ্জীৰ দুর্যোগপূর্ণ ঘটনাৰ কাৰণ আৰু বর্তমান কালত জাতিৰ কৰণীয় উপায় সম্পর্কে আঙুলিয়াই দি ভাঙোনমুখী অসমীয়া জাতিক সচেতন কৰি দিছে। উপন্যাসৰ কাহিনীৰ মাধ্যমত বৰদলৈয়ে অসমৰ ৰাজনীতি, অর্থনীতি, ধর্মনীতি, সমাজনীতি, সাহিত্য, সংস্কৃতি আৰু জাতীয় আদর্শ সম্পর্কে ভালেখিনি তথ্য আৰু তত্ত্বৰ সন্ধান দিছে। সেয়েহে তেওঁ অসমৰ ৰেণ্য আৰু আদর্শ ঔপন্যাসিক।

বৰদলৈয়ে তেওঁৰ সাহিত্যিক জীৱনত সর্বমুঠ নখন উপন্যাস ৰচনা কৰিছে ঃ 'মিৰি-জীয়ৰী' (১৮৯৪), 'মনোমতী' (১৯০০), 'দন্দুৱা দ্রোহ' (১৯২৯), 'ৰঙ্গিলী' (১৯২৫), 'নির্মল ভকত' (১৯২৬), 'তাম্রেশ্বৰী মন্দিৰ' (১৯২৬), 'ৰাধা-ৰুক্মিণীৰ ৰণ' (১৯২৫), 'ৰহদৈ লিগিৰী' (১৯৩০) আৰু 'থাম্বা-থোইবীৰ সাধু' (১৯৩২)। ইয়াৰে প্রথমখনৰ বিষয়বস্তু সামাজিক আৰু শেষৰখন এটি মণিপুৰী আখ্যানৰ অনুবাদৰ বিপৰীতে বাকী জ্জখনৰ বিষয়বস্তু ঐতিহাসিক। অর্থাৎ বৰদলৈয়ে জীৱনকালত বুৰঞ্জী বা ঐতিহাসিক বিষয়ক মূল অৱলম্বন হিচাপে লৈহে উপন্যাস ৰচনা যে কৰিছিল তাত সন্দেহৰ অৱকাশ নাই। তদুপৰি তেওঁ যিমান কেইখন ঐতিহাসিক শ্রেণীৰ উপন্যাস ৰচনা কৰি গৈছে তাৰ প্রত্যেকখনৰে একোটা বিশেষ গুৰুত্ব আছে। তেওঁৰ বাহিৰেও অন্য দুই-এজনে আগে-পিছে একে বিষয়ৰ ওপৰত ভিত্তি কৰি দুই-এখন উপন্যাস ৰচনাত মনোনিৰেশ কৰিছিল। কিন্তু সেইসকলক সফল বুলিব নোৱাৰি। গতিকে অসমীয়া ঐতিহাসিক উপন্যাস বুলি ক'লেই ৰজনীকান্ত বৰদলৈৰ নামটোৱেই মনলৈ আহে। বৰদলৈয়ে এইবিধ বিষয়বস্তুৰ উপন্যাস ৰচনা কৰিবলৈ অনুপ্রেৰণা লাভ কৰিছিল ইংৰাজী সাহিত্যৰৱাল্টাৰ স্কট আৰু বঙালী ঔপন্যাসিক বঙ্কিমচন্দ্রৰ পৰা। এই কথা তেওঁ নিজেও উল্লেখ কৰি গৈছে। স্মর্তব্য যে ঊনবিংশ শতিকাত স্কটে এলানি ঐতিহাসিক উপন্যাস ৰচনা কৰি সুখ্যাতি অর্জন কৰিছিল। নিজ দেশ স্কটলেণ্ডৰ ইতিহাস, জনশ্রুতি, কিংবদন্তীৰ প্রতি স্কট গভীৰভাৱে আকর্ষিত হৈছিল। সৰু কালতে বুঢ়ীমাকৰ মুখে শুনিবলৈ পোৱা স্কটলেণ্ডৰ কাহিনী, সাধু আদিয়ে স্কটৰ মনত ইতিহাস প্রীতি আৰু ৰোমান্সৰ ভাব সঞ্চাৰ কৰিছিল আৰু সেইবোৰকে উপন্যাসত প্রকাশ কৰি পাঠকক অতীতৰ প্রতিও সজাগ কৰিবলৈ চেষ্টা কৰিছিল।

একেদৰে বঙালী সাহিত্য তথা উপন্যাসৰ মাজেদি বঙলা ঔপন্যাসিক বঙ্কিমচন্দ্রইও পাঠকক ৰোমান্সৰ সোৱাদ প্রদান কৰিছিল আৰু পাঠকৰ মাজত জনপ্রিয়তাও অর্জন কৰিছিল। বঙ্কিমচন্দ্রৰ জনপ্রিয়তাই ৰৱদলৈক বাৰুকৈয়ে অনুপ্রাণিত কৰিছিল। অসমতো তেনে বিষয়বস্তুকে সমল হিচাপে লৈ এলানি উপন্যাস ৰচনাৰ সংকল্প লৈছিল। সেই সংকল্প লৈয়ে কলিকতীয়া শিক্ষা সাং কৰি অসমলৈ ঘূৰি আহি বাস্তৱায়িত কৰিবলৈ তেওঁ উঠি পৰি লাগিছিল।

বঙ্কিমচন্দ্রৰ উপন্যাসৰ নিচিনাকৈ ৰৱদলৈৰ উপন্যাসত মূলতঃ কাল্পনিক প্রণয় কাহিনীৰ মাজেদি ৰোমান্স ৰস পৰিবেশন কৰা হৈছে। স্কটৰ উপন্যাসতো এই বৈশিষ্ট্য বিৰাজমান। দৰাচলতে বুৰঞ্জী প্রসিদ্ধ চৰিত্র কল্পনাৰ সহায়েৰে ৰূপান্তৰিত কৰাটো কঠিন বা নোৱাৰা হেতুকেই ঔপন্যাসিকে সাধাৰণতে তেনে চৰিত্র একোটিক প্রধান ভূমিকাত অৱতীর্ণ নকৰোৱায়। বঙ্কিমচন্দ্র আৰু তেওঁৰ সমসাময়িক ঔপন্যাসিকসকলৰ উপন্যাসত প্রায়ে সাধু-সন্ন্যাসীৰ প্রাধান্য দেখাৰ দৰে ৰৱদলৈৰ উপন্যাসৰাজিতো সাধু-সন্ন্যাসীয়ে বিশেষভাৱে প্রভাৱ বিস্তাৰ কৰা দেখা যায়। 'ৰহদৈ-লিগিৰী'ৰ পৰা 'তাম্রেশ্বৰী মন্দিৰ'লৈ, 'তাম্রেশ্বৰী মন্দিৰ'ৰ পৰা 'নির্মল ভকত'লৈ প্রায় প্রত্যেকখন উপন্যাসতে সাধু-সন্ন্যাসীৰ প্রাধান্য আৰু তেওঁলোকৰ জৰিয়তে ধর্ম তত্ত্ব বিশেষকৈ বৈষ্ণৱ ধর্ম তত্ত্বৰ ব্যাখ্যাৰ লগতে নায়ক-নায়িকাক দুখ-দুর্দশাৰ অন্তত শান্তিৰ পথৰ সন্ধান কৰোৱাবলৈ বৈষ্ণৱ ধর্মত দীক্ষিত কৰোৱাইছে। প্রসঙ্গক্রমে উল্লেখযোগ্য যে ইয়াৰ জৰিয়তে মানুহৰ মন আধ্যাত্মিকতাৰ ফালে ঢাল খুৱাব বিচৰা হৈছে। ইয়াৰ বাহিৰেও স্ব›Ÿ, যৌগিক বল, সম্মোহন বিদ্যা, যোগ সাধনাকে স্কট বা বঙ্কিমচন্দ্রৰ দৰেই প্রয়োগ কৰিছে। উদাহৰণ স্বৰূপে 'ৰহদৈ লিগিৰী', 'নির্মল ভকত', 'তাম্রেশ্বৰী মন্দিৰ'ত স্ব›Ÿৰ সমাৱেশ থকাৰ দৰে 'ৰহদৈ লিগিৰী' অথবা 'তাম্রেশ্বৰী মন্দিৰ'ত আছে যোগ সাধনা আৰু সম্মোহন বিদ্যাৰ মাহাত্ম্য আৰু বঙ্কিমচন্দ্রৰ বহু উপন্যাসৰ দৰে কাহিনী জনশ্রুতি বা কিম্বদন্তীৰ ওপৰত নির্ভৰশীল। উদাহৰণ স্বৰূপে 'মনোমতী' আৰু 'দন্দুৱা দ্রোহ' বহু পৰিমাণে কিম্বদন্তী আৰু জনশ্রুতিৰ ওপৰত নির্ভৰশীল।

মন কৰিবলগীয়া যে ঐতিহাসিক উপন্যাস ইতিহাস নহয়, ইতিহাসৰ পৰিপূৰকহে। অর্থাৎ ইতিহাসৰ আশ্রয়ত ঐতিহাসিক পটভূমি ৰচনা কৰি সেই যুগৰ নৰ-নাৰীৰ জীৱন্ত ছবি অংকন কৰাই ঐতিহাসিক উপন্যাসৰ মূল কথা। স্কট আৰু বঙ্কিমচন্দ্র কোনো জনেই ইয়াৰ ব্যতিক্রম নাছিল। একেদৰে আমাৰ ঔপন্যাসিক ৰৱদলৈয়েþ এইখন সমাজৰে ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধর্ম-বিশ্বাস, উৎসৱ-পার্বণ আদি আটাইকেইখন উপন্যাসত বৰ কৌশলেৰে প্রদর্শন কৰিছে। তদুপৰি সমাজ সংস্কাৰৰ মনোভাৱো দুই-এঠাইত লক্ষ্য কৰা যায়

সি যি কি নহওক ৰজনীকান্ত ৰৱদলৈয়ে অতীতমুখী চিন্তা আৰু জাগ্রত চেতনাৰে স্কট আৰু বংকিমচন্দ্রৰ উপন্যাসৰ আর্হি গ্রহণ কৰি অতীত অসমৰ গৌৰৱোজ্জ্বল কাহিনীৰ যোগেদি নিজ দেশ আৰু জাতিৰ প্রতি পাঠকক সচেতন কৰিবলৈ তেওঁ বদ্ধ পৰিকৰ আছিল। এক কথাত ক'বলৈ হ'লে জাতীয় চেতনা জাগ্রত কৰিবলৈ ঐতিহাসিক চেতনাৰ প্রয়োজনীয়তা তেওঁ খুব ভালদৰেই উপলব্ধি কৰিছিল আৰু সেই বাবে নিজৰ কর্মৰ পথত আগবাঢ়িছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰজনীকান্ত ৰৱদলৈয়ে সর্বমুঠ কেইখন উপন্যাস ৰচনা কৰিছিল?

.....

প্রশ্ন নং ২ ঃ 'ৰহদৈ লিগিৰী' উপন্যাসখনৰ বিষয়বস্তু কি?

.....

৩.৪ ৰৱদলৈৰ উপন্যাসৰাজিৰ এটি পৰিচয়

অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত 'ৰজনীকান্ত ৰৱদলৈ' এটি অবিস্মৰণীয় নাম। অৱশ্যে এইটোও কৈ থোৱা ভাল হ'ব যে তেওঁৰ নামটো সামাজিক উপন্যাসতকৈ ঐতিহাসিক উপন্যাসৰ লগতহে অধিক সম্পর্কিত। প্রথম অসমীয়া ঐতিহাসিক উপন্যাস লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুম কুঁৱৰী' হ'লেও আৰু তেওঁৰ উপন্যাসৰাজি 'পদুম কুঁৱৰী'ৰ পৰৱর্তী সময়ত ৰচনা কৰিলেও ৰৱদলৈৰ উপন্যাসৰাজিৰ জৰিয়তে অসমীয়া ঐতিহাসিক উপন্যাসে পূর্ণ প্রতিষ্ঠা লাভ কৰে। এই কথা আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ। অৱশ্যে তেওঁৰ উপন্যাস ৰচনাৰ প্রথম প্রচেষ্টা সামাজিক উপন্যাস। কিন্তু তেওঁৰ একমাত্র সামাজিক উপন্যাস 'মিৰি-জীয়ৰী' ৰচনাৰ পিছত দ্বিতীয়খন সামাজিক উপন্যাস ৰচনাৰ বাবে মনোনিৱেশ কৰা দেখা নগ'ল। ইয়াৰো হয়তো কাৰণ নোহোৱা নহয়। তেওঁ হয়তো ভাবিছিল যে উপন্যাসৰ কৃতকার্যতাৰ বাবে কাহিনীৰ বৈচিত্র্য থকা দৰকাৰ। সেয়ে হয়তো বৈচিত্র্যময় মিচিং সমাজৰ এটি বৈচিত্র্যযুক্ত কাহিনীকে উপন্যাসৰ ৰূপ দিছিল। কিন্তু ব্যক্তিগতভাৱে তেওঁ চৰকাৰী কামৰ তাগিদাত যেতিয়াই বৈচিত্র্যহীন পৰিৱেশত ভৰি থ'লে লগে লগে তেওঁৰ পূর্বৰ ভাবধাৰাৰো সলনি হয় আৰু উপন্যাসত বিষয়বস্তুকো সলাই বুৰঞ্জীক আশ্রয় কৰি ল'লে। তদুপৰি ৰৱদলৈ আছিল ৰোমাণ্টিক ভাবধাৰাৰে উদ্বুদ্ধ লেখক। গতিকে অতীতৰ প্রতি শ্রদ্ধা তথা অতীত প্রীতি, বীৰত্ব, যুদ্ধ-বিগ্রহ আদিৰ প্রতি দুর্বলতা, প্রকৃতিৰ পর্বত-পাহাৰ, নদ-নদীৰ প্রতি ভালপোৱা আৰু সৌন্দর্যৰ প্রতি আকর্ষণ আদিয়ে তেওঁক নি(য়ে ঐতিহাসিক উপন্যাস ৰচিবলৈ উদ্গনি দিছিল। তলত তেওঁৰ দ্বাৰা ৰচিত সামাজিক আৰু ঐতিহাসিক দুয়ো শ্রেণীৰ উপন্যাসৰ এটি চমু বিৱৰণ দাঙি ধৰা হ'ল।

মিৰি-জীয়ৰ

'মিৰি-জীয়ৰী' ৰজনীকান্ত ৰৱদলৈৰ একমাত্র সামাজিক উপন্যাস। অসমৰ জনজাতীয় মিৰিসকলৰ সামাজিক আৰু ধার্মিক জীৱনৰ প্রায় প্রতিটো দিশেই ইয়াত চিত্রিত হৈছে। সোৱণশিৰি নদীৰ পাৰৰ ঘূনাসুঁতি মিৰি-গাঁৱৰ প্রাকৃতিক পৰিৱেশৰ লগত ৰজিতা খুৰাই জংকি আৰু পানেই নামৰ এহাল মিৰি ডেকা-গাভৰুৰ বেদনাকাতৰ প্রণয় কাহিনী এটি সৃষ্টি কৰি উপন্যাসখন ৰচনা কৰিছে।

'মিৰি-জীয়ৰী' এখন নায়িকা প্রধান বিয়োগাত্মক উপন্যাস। বিয়োগাত্মক এই কাৰণেই যে যি জংকি আৰু পানেয়ে কাসিং কার্টানক সাক্ষী কৰি দুয়োৱে দুয়োকে পাবলৈ অর্থাৎ বিয়াত সোমাবলৈ

প্রতিজ্ঞাবদ্ধ হৈছিল, অৱশেষত সেই জংকি আৰু পানেইৰ মিলন নহ'ল। অর্থলোভী পানেইৰ পিতৃ তামেদে গামৰ পুতেক কুমুদলৈ পানেইক বিয়া দিয়াৰ যো-জা কৰোঁতেই সকলো অথন্তৰ হ'ল। এবাৰ নহয় দুবাৰ পানেই ঘৰৰ পৰা পলাই গৈছে। প্রথমবাৰ জংকিৰ সৈতে পলাই গৈছিল যদিও দ্বিতীয়বাৰ তাই অকলেই পলাইছিল। উপায়হীন জংকিও পানেইক বিচাৰি ওলাল। কিন্তু দুর্ভাগ্যবশতঃ পর্বতীয়া গাছীমিৰিৰ হাতত ধৰা পৰাত, সিহঁতক দোষী সাব্যস্ত কৰি দুয়োকে হাতে ভৰিয়ে বান্ধি বুকুৰে-পিঠিয়ে একেলগে শলা মাৰি সোৱণশিৰি নৈত উটুৱাই দিয়ে। ইয়াতেই ঘটনাৰ সামৰণি পৰিছে।

যদিও এইটোৱেই উপন্যাসখনৰ মূল কাহিনী তথাপি আন এটা বিষয়ে উপন্যাসখন বুৰাই ৰাখিছে। সেয়া হ'ল 'মিৰি-জীয়ৰী'ৰ এখন সাংস্কৃতিক বুৰঞ্জী বুলিব পৰা যায় কাৰণ ইয়াত মিৰিসকলৰ বংশ পৰিচয়ৰ পৰা আৰম্ভ কৰি পূর্বপুৰুষৰ পৰিচয়, সমাজ-ব্যৱস্থাৰ বিভিন্ন দিশ যেনে– বিয়া-বাৰু, খেলৰ পৰম্পৰাৰ পৰা আৰম্ভ কৰি খেতি-বাতি, খাদ্যাভাস, উৎসৱ-পার্বণ, লোক-বিশ্বাস, ইত্যাদি সকলো দিশ সামৰি 'মিৰি-জীয়ৰী' এখন পূর্ণাংগ তথা সফল সামাজিক উপন্যাস বুলি ক'ব পাৰি। তদুপৰি এফালে বিহু মৰা, বিহুগীতত উতলা হোৱা, বিহু তলিত ডেকা-গাভৰুৱে হিয়া দিয়া নিয়া কৰা, নাও বোৱা, মাছ মৰা, গা-ধন গোটাবলৈ খাটনি খটা, গা-খাটি দি ছোৱালী বিয়া কৰোৱা, ইত্যাদি সামাজিক তথা সাংস্কৃতিক বর্ণনা, আনফালে 'চৰগ পূজা, দেও পূজা, মৰং ঘৰত ভকত সেৱা, ইত্যাদিৰ বর্ণনাই 'মিৰি-জীয়ৰী'ক অন্য মাত্রা প্রদান কৰিছে বুলি বিনা দ্বিধাই ক'ব পাৰি।

মনোমতী

'মনোমতী' বৰদলৈৰ সাতখন বুৰঞ্জীমূলক উপন্যাসৰ ভিতৰত প্রথম। পটভূমি মানৰ তৃতীয় আক্রমণ। 'মনোমতী'ৰ কাহিনীভাগ মূলতঃ প্রণয়াত্মক। অৱশ্যে প্রেম কাহিনীটোত বুৰঞ্জীৰ প্রভাৱ তেনেই ক্ষীণ। তদুপৰি নায়ক লক্ষ্মীকান্ত অথবা নায়িকা মনোমতী এটিও বুৰঞ্জীমূলক চৰিত্র নহয়। দুয়োটি কাল্পনিক চৰিত্র। ৰাজনৈতিক প্রভাৱে দুয়োটা চৰিত্রৰ জীৱনলৈ দুখৰ বাতাবৰণ কঢ়িয়াই আনিছে। পৰিশেষত নানা দুখ-যন্ত্রণাৰ মূৰত দুয়োৰে মিলন ঘটিছে। ঔপন্যাসিকে এই প্রেম কাহিনীটোৰ মাজতে মানৰ আক্রমণ, ডা-ডাঙৰীয়াৰ মাজত থকা হিংসা-হিংসী, পৰশ্রীকাতৰতা, বৈষ্ণৱ ধর্মৰ প্রাণকেন্দ্র স্বৰূপ বৰপেটাৰ কীর্তন ঘৰৰ দৌল উৎসৱ, লৌকিক গীত-মাত, ইত্যাদিকো টানি আনিছে। এই উপন্যাসত ক্ষমতালোভী ডা-ডাঙৰীয়াৰ আপোনপেটীয়া স্বভাৱৰ বাবে দেশখন উছন যোৱাৰ লগতে কিদৰে সাধাৰণ জনতাৰ দুখ-দুর্দশা বৃদ্ধি পাইছিল সেই কথা প্রকাশ কৰিছিল আৰু অসমীয়া অৱলা নাৰীয়ে দেশৰ অতি সংকটপূর্ণ অৱস্থাতো কেনে তৎপৰতাৰে দেশৰ হকে মহৎ কাম কৰিব পাৰিছিল তাৰ সুন্দৰ বর্ণনাও উপন্যাসখনত ঠাই দিয়া হৈছে।

ৰঙ্গিলী

ৰঙ্গিলী বৰদলৈৰ দ্বিতীয় ঐতিহাসিক উপন্যাস। পটভূমি মানৰ প্রথম আক্রমণ। উপন্যাসখনত সৎৰাম-ৰঙ্গিলী, শান্তিৰাম-পদুমী, জয়ৰাম-কেতেকী আৰু বিচিত্রী-মনাই এই চাৰিহাল যুৱক-যুৱতীৰ প্রেম

কাহিনী দেখুওৱা হৈছে। সৎৰাম-ৰঙ্গিলীৰ প্ৰেম কাহিনী উপন্যাসখনৰ প্ৰধান অৱলম্বন। অৱশ্যে শান্তিৰাম-পদুমীৰ কাহিনীটোৱেও পাঠকক আকৰ্ষণ নকৰাকৈ নাথাকে। কিন্তু এই দুয়োযোৰ যুৱক-যুৱতীৰ প্ৰথমযোৰে ৰাজনৈতিক দুৰ্যোগ অৰ্থাৎ মানৰ আক্ৰমণৰ বাবে আৰু দ্বিতীয়যোৰৰ খেলগত বাধা আৰু ৰাজনৈতিক সংকটৰ বাবে মিলন হ'বলৈ নাপালে। তাৰ বিপৰীতে আন দুযোৰ প্ৰেমিক-প্ৰেমিকাৰ মিলন দেখুৱালেও কাহিনীভাগৰ উদ্দেশ্য কিবা প্ৰকাৰে হ'লেও সাধন কৰিছে বুলি ক'ব নোৱাৰি।

কাহিনী হিচাপে 'ৰঙ্গিলী'ৰ কাহিনী বৰ দৃঢ় নহয়। মূল কাহিনীটোৰ সৈতে বুৰঞ্জীৰ কথা সন্নিবিষ্ট হৈছে যদিও তাৰ লগে লগে অসমীয়া সাংস্কৃতিক জীৱনৰ বিস্তৃত পৰিচয় দিছে। ঐতিহাসিক ঘটনাটোত কুকুৰাচোৱা ভূতৰ পুতেক সৎৰামৰ অতপালি, চন্দ্ৰকান্তৰ ওপৰত ল'ৰালি কালৰ অসৎ সংগৰ প্ৰভাৱ, পূৰ্ণানন্দৰ স্বেচ্ছাচাৰিতা আৰু ক্ষমতাপ্ৰিয়তা, বদনচন্দ্ৰৰ কামৰূপী প্ৰজাৰ ওপৰত অত্যাচাৰ আৰু পূৰ্ণানন্দৰ বিৰোধ, মানৰ প্ৰথম আক্ৰমণ– এই ঐতিহাসিক ঘটনাৱলী ঔপন্যাসিকে প্ৰস্তুত কাহিনীৰ লগত পৰোক্ষ বা প্ৰত্যক্ষভাৱে জড়িত কৰি দিছে। ইয়াৰ বিপৰীতে উপন্যাসখনত অসমীয়া সমাজৰ আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান আদিৰ প্ৰতিচ্ছবি বিস্তৃতভাৱে দেখা যায়। বিশেষকৈ অসমীয়া জাতীয় জীৱনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত বিহু সম্বন্ধে দীঘলীয়া বিৱৰণ উপন্যাসখনত আছে। ঔপন্যাসিকে আনকি উপন্যাসখনত 'অসমীয়া বিহু কি? ' শীৰ্ষক ৰচনা এখনো সন্নিৱিষ্ট কৰিছে য'ত অসমীয়াৰ তিনিওটা বিহুৰ বৈশিষ্ট্য আৰু বিভিন্ন সামাজিক নীতিৰ মাজেদি উলহ-মালহেৰে উদ্‌যাপিত হোৱা বিহুৰ পূৰ্ণাংগ চিত্ৰ বিস্তৃতভাৱে পোৱা গৈছে। এইবোৰে ঘটনা বিকাশত বিশেষ সহায় কৰা বুলি কিন্তু ক'ব নোৱাৰি। য়ে উপন্যাসখনৰ কলেৱৰহে বৃদ্ধি কৰিছে। অৱশ্যে ঔপন্যাসিকে 'ৰঙ্গিলী'ত ৰাজকাৰেঙৰ ভিতৰচ'ৰাৰ অলপ-অচৰপ বৰ্ণনাও দিছে।

দন্দুৱা দ্ৰোহ

বৰদলৈয়ে বুৰঞ্জী আৰু জনশ্ৰুতিৰ সংমিশ্ৰণত বদন বৰফুকনৰ অত্যাচাৰৰ বিৰুদ্ধে হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত কামৰূপত সংঘটিত হোৱা বুৰঞ্জী প্ৰসিদ্ধ দন্দুৱা দ্ৰোহক লৈ 'দন্দুৱা দ্ৰোহ' উপন্যাসখন ৰচনা কৰিছে। উপন্যাসখনত কল্পনাৰ পৰিসৰ যথেষ্ট কম। ইয়াত মহীৰাম আৰু পদ্মকুমাৰীৰ প্ৰণয় দেখুৱালেও মহীৰাম নায়ক অথবা পদ্মকুমাৰী নায়িকা নহয়। দৰাচলতে 'দন্দুৱা দ্ৰোহ' এই নামটোৱে হৰদত্তকহে নায়কৰূপে প্ৰতীয়মান কৰায়। উপন্যাসখনত হৰদত্তৰ বিদ্ৰোহৰ আয়োজন, আহোম সেনাৰ লগত যুদ্ধ আৰু পৰাজয়ৰ কাৰণ আৰু শেষত পতন কেনেকৈ হ'ল তাৰ বৰ্ণনাতে অধিক মনোনিৱেশ কৰিছে। মহীৰাম আৰু পদ্মকুমাৰীৰ বিবাহ প্ৰসংগক্ৰমেহে যেন উত্থাপন কৰিছে। হৰদত্ত চতুৰ আৰু কাৰ্যক্ষম। তেওঁৰ প্ৰধান সহায়কাৰী কামৰূপীয়া বৰুৱা, চৌধুৰীসকলৰ পৰাজিত মনোভাৱ, দীৰ্ঘকাল ব্যাপী যুদ্ধৰ প্ৰয়োজনীয় আহিলা আৰু ৰছদপাতিৰ অভাৱ আৰু ভাতৃ বীৰদত্তৰ মইমতালীৰ কাৰণেহে শেষত আহোমৰ হাতত পৰাজয় বৰণ কৰিছে। বীৰদত্তই কাহিনীৰ মাজে মাজে ভূমুকি মাৰি কেৱল দৈহিক শক্তি আৰু সাহসৰ পৰিচয় দিলেও সেই শক্তি শত্ৰু নিধনত যথেষ্ট নহ'ল। মুঠতে ইতিহাসৰ পোনপটীয়া প্ৰাধান্য থকা উপন্যাসখনত প্ৰণয় কথা প্ৰাসঙ্গিকহে মাথোন।

'দন্দুৱা-দ্রোহ' বুৰঞ্জী প্রসিদ্ধ উপন্যাস হ'লেও সামাজিক চিত্রও উপন্যাসখনত প্রকাশ পাইছে। বৰফুকনৰ সাতবিহু উৎসৱৰ বর্ণনাত বিহু নাচ আৰু বিভিন্ন খেল-ধেমালিৰ উল্লেখ, হৰদত্তৰ ঘৰত উদ্‌যাপিত দুর্গোৎসৱৰ বর্ণনাত কামৰূপৰ ঢুলীয়া, খুলীয়া, গায়ন-বায়ন, কালীয়া, ওজাপালিৰ দৃশ্য, পদ্মকুমাৰী-মহীৰামৰ বিবাহ, কামৰূপৰ অনেক তীর্থস্থান, সত্র, মঠ-মন্দিৰৰ উল্লেখৰ উপৰিও বিভিন্ন ধর্মমতৰো উল্লেখ উপন্যাসখনত আছে। মুঠতে ইতিহাসৰ ঘটনা বর্ণনাৰ লগতে সামাজিক আৰু ধার্মিক দুয়োটা দিশকে সমানে উপস্থাপন কৰাত ঔপন্যাসিক সফল হৈছে বুলিব পাৰি।

নির্মল ভকত

টেনিছনৰ 'এনক আর্ডন' (Enoch Arden) উপন্যাসৰ মূল আদর্শত বৰদলৈয়ে 'নির্মল ভকত' উপন্যাসখন ৰচনা কৰিছে। পটভূমি হিচাপে মানৰ দ্বিতীয় আৰু তৃতীয় আক্রমণকে বাছি লৈছে। বৰদলৈয়ে এনক, ফিলিপ আৰু এনীৰ কাহিনীটোক অসমীয়া কাহিনীটোত ক্রমে নির্মল, অনিৰাম আৰু ৰূপহী নাম দি উপন্যাসখন আগবঢ়াই নিছে। উপন্যাসখনৰ কাহিনীভাগ বৰদলৈয়ে নির্মলৰ জৰিয়তে এজন ডাঙৰীয়াৰ আগত কোৱাইছে। নির্মল আৰু ৰূপহী দুয়ো সৰু কালৰে পৰা উমলি-জামলি ডাঙৰ হোৱা ডেকা-গাভৰু। সিহঁত ডাঙৰ হ'লত ল'ৰালিৰ বন্ধুত্ব যৌৱনৰ প্রণয়ত পৰিণত হয়। কিন্তু নির্মলৰ বাপেকৰ তীব্র বাধাত সিহঁত এদিন পলাই গৈ নির্মলৰ মাহীয়েকৰ ঘৰত আশ্রয় লয়। মাহীয়েকৰ ঘৰত কিছুদিন থকাৰ পিছত মাহীয়েকৰ বুজনিত বাপেক সৈমান হয় আৰু সামাজিক নিয়ম মতেই সিহঁতৰ এদিন বিয়া হৈ যায়। কিন্তু মানৰ দ্বিতীয় আক্রমণত মানে নির্মলক বন্দী কৰি মান দেশলৈ লৈ যায়। ইতিমধ্যে অসম মানৰ তৃতীয় আক্রমণৰ কবলত পৰে। অসম দেশ উছন হয়। এই আক্রমণতেই ৰূপহীহঁতৰ গাঁৱৰ মানুহ বোকাখাটৰ পিনে উঠি যায়। ইফালে সৰুৰে পৰা ৰূপহীক অন্তঃকৰণেৰে ভাল পোৱা অনিৰামে বাৰ বছৰ কাল অতিক্রম কৰাৰ পিছত ৰূপহীক বিয়া কৰায়। এদিন মান ভাঙনিত সেই ঠাই নির্মল পায়হি যদিও এটি পুত্রসন্তানসহ অনিৰাম ৰূপহীৰ সংসাৰত ব্যাঘাত জন্মিব বুলি ভাবে মগনীয়াৰ বেশ ধৰি মাজুলীৰ দক্ষিণপাট সত্রৰ উদাসীন ভকত হৈ থাকিবলৈ লয় আৰু এদিন তাতেই নির্মল আতৈয়ে ইহলীলা সম্বৰণ কৰে। সেই দিনাই সত্রলৈ আহি থকা ৰূপহী আৰু অনিৰামে বাটতে নির্মল আতৈৰ মৃতদেহ পাই সকলো কথা জানিব পাৰি চকুলো টুকি নির্মলৰ অন্ত্যেষ্টিক্রিয়াত যোগ দিয়ে।

উপন্যাসখনত কোনো ঐতিহাসিক চৰিত্রৰ অংশ গ্রহণ নাই। কেৱল ৰূপহী আৰু নির্মলৰ সংসাৰত মানৰ আক্রমণৰ বিধবস্ত ৰূপ দেখুৱাইছে। তাত ঔপন্যাসিকে কিছু পৰিমাণে সামাজিক চিত্রৰ বর্ণনা কৰিছে। বিশেষকৈ অসমীয়া ভাওনাৰ উল্লেখ, সত্রৰ ধৰণ-কৰণ বর্ণনা, প্রায়শ্চিত্তৰ কাৰণ, গুৰুৰ আৱশ্যকতা, গুৰুৰ পৰিচয়, দক্ষিণাৰ অর্থ, ইত্যাদিৰ বর্ণনা উপন্যাসত বিস্তৃতভাৱে পোৱা যায়। তদুপৰি উপন্যাসখনত অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ বর্ণনাৰ লগতে মানদেশৰো থূলমূল বর্ণনা সন্নিবিষ্ট কৰিছে।

ৰাধা-ৰুক্মিণীৰ ৰণ

'ৰাধা-ৰুক্মিণীৰ ৰণ' ৰৱদলৈৰ আটাইতকৈ সৰু কলেৱৰৰ উপন্যাস। কিন্তু হ'লেও এইখন ইতিহাসপ্রধান উপন্যাস। মোৱামৰীয়াসকলৰ প্রতি আহোম ৰজাই বেয়া ব্যৱহাৰ কৰাত আৰু এই ব্যৱহাৰে চূড়ান্ত পর্যায় পোৱাত অর্থাৎ শিৱসিংহৰ বৰ ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ নির্দেশত দুর্গা পূজাৰ বলিৰ তেজৰ ফোট কীর্তিচন্দ্র বৰুৱাৰ হতুৱাই মোৱামৰীয়া মহন্তক দিয়া আৰু বিশেষকৈ লক্ষ্মীসিংহৰ দিনত কীর্তিচন্দ্র বৰুৱাই মৰাণক বিনা দোষতে গালি-শপনি পৰা, নাহৰ খোৰা মৰাণৰ দূৰসম্পর্কীয় ভাগিন ৰাঘৱক চামটাৰে কোবোৱাত তেওঁলোক ৰজাঘৰৰ বিৰুদ্ধে বিদ্রোহী হৈ উঠে। এদিন ৰুদ্রসিংহৰ দ্বিতীয় ৰাণীৰ পুত্র মাজিউ গোহাঁইৰ সহযোগত নাহৰ খোৰাৰ প্রথমা পত্নী ৰাধা আৰু দ্বিতীয় পত্নী ৰুক্মিণীৰ নেতৃত্বত আহোম শক্তিক ওফৰাই পেলাবলৈ সক্ষম হ'ল। কিন্তু পূর্বৰ কথা মতে মাজিউ গোহাঁইক ৰজা পতাৰ পৰিৱর্তে ৰমাকান্ত নিজে ৰজা হ'ল। ৰুক্মিণীয়েও পূর্বৰ প্রেমিক ৰাঘৱৰ ওচৰলৈ আহি তুচ্ছ-তাচ্ছিল্যহে পালে। সেই দুখতে ৰজা ৰমাকান্তৰ কাৰেঙৰ কোঠাৰ এচুকত থাকি জীৱনৰ বাকীছোৱা কাল ঈশ্বৰ চিন্তা কৰি থাকিবলৈ থিৰাং কৰিলে।

উপন্যাসখনৰ কাহিনীটো সম্পূর্ণ নহ'ল যেন লাগে। ৰাঘৱ আৰু ৰমাকান্তৰ নিষ্ঠুৰতা আৰু বুঢ়াগোহাঁয়ে ছদ্মবেশ ধৰি ৰজাঘৰৰ বুজ ল'বলৈ কৰা চেষ্টাৰ ইংগিতহে পোৱা যায়, তাৰ পৰিণাম কি হ'ল জনাৰ উপায় নাই। উপন্যাসখনৰ কেইটামান পৃষ্ঠা উদ্ধাৰ নোহোৱা যেন অনুমান হয়। সি যি কি নহওক উপন্যাসখন ইতিহাস প্রসিদ্ধ কাহিনীৰ ভেটিত ৰচিত যদিও তাৰ মাজতে সেই সময়ৰ অসমৰ সামাজিক জীৱনৰ ছবি এখনৰ লগতে মৰাণ, মোৱামৰীয়া, গোহাঁই, মহন্তসকলৰ বিষয়েও কিছু বিৱৰণ দিয়া হৈছে।

তাম্রেশ্বৰী মন্দিৰ

এইখন উপন্যাসৰ পটভূমি মানৰ তৃতীয় আক্রমণৰ। অৱশ্যে ঐতিহাসিক ঘটনাৰ পোনপটীয়া প্রভাৱ ইয়াত দেখা নাযায়। চুতীয়া ষাঁড়ৰ বংশৰ ডেকা ধনেশ্বৰ আৰু ৰৱদেউৰী লাংফাইৰ জীয়েক আঘণীৰ প্রণয়েই উপন্যাসৰ বিষয় যাৰ প্রণয়ৰ মাজত মনেশ্বৰ নামৰ আন এজন ডেকাই বিধি-পথালি দিয়ে। লাংফাইৰো মন আঘণীক মনেশ্বৰক দিবলৈ। কিন্তু এদিন মনেশ্বৰৰ সন্মুখতে ধনেশ্বৰে আঘণীক চুমা খাই লাংফাইৰ ৰোষত পৰে। লাংফায়ে এই অপৰাধৰ গোচৰ শদিয়াখোৱা গোসাঁইক দিলেগৈ। কিন্তু শদিয়াখোৱা গোসাঁইৰ বিচাৰত ধনেশ্বৰ নির্দোষ প্রমাণিত হয়। লাংফায়ে লাজ পাই এজন ৰামাচাৰীৰ ভে{"ৰাজীৰ জৰিয়তে আহিব লগীয়া দুর্গা পূজাত দিবলগীয়া নৰবলি হিচাপে কেঁচাইখাইতী মায়ে নিজেই বিচাৰিছে বুলি তাক মন্দিৰৰ ভিতৰত আবদ্ধ কৰি ৰাখে। কিন্তু কৃষ্ণদাস,ী বৈষ্ণৱীয়ে ইয়াক ভুৱা বুলি প্রমাণিত কৰে। ফলত ধনেশ্বৰ মুক্ত হয় আৰু শদিয়াখোৱা গোসাঁয়ে ভে{"ৰাজী ৰামাচাৰীক হত্যা কৰে আৰু ধনেশ্বৰৰ নেতৃত্বত এদল ডেকা সৈন্য সংগঠিত কৰি মানক ভেটি শদিয়া ৰক্ষা কৰে। শেষত কৃষ্ণদাসী বৈষ্ণৱীৰ প্রভাৱত ধনেশ্বৰলৈ লাংফায়ে জীয়েকক বিয়া দিবলৈ সন্মতি প্রকাশ কৰাতেই উপন্যাসখনৰ সামৰণি মাৰিছে। এই কাহিনী জৰিয়তে ঔপন্যাসিক ৰৱদলৈয়ে সমাজত প্রচলিত কিছুমান কুসংস্কাৰ বিশেষকৈ তাম্রেশ্বৰী মন্দিৰৰ নৰবলি প্রথাক এটা সামাজিক ব্যাধি ৰূপে দেখুৱাবলৈ যত্ন কৰিছে। লগতে বৈষ্ণৱ ধর্মই যে সর্বশ্রেষ্ঠ তাকো প্রতিপন্ন কৰাৰ চেষ্টা কৰিছে।

ৰহদৈ লিগিৰী

'ৰহদৈ লিগিৰী' ৰৱদলৈৰ শেষ ঐতিহাসিক উপন্যাস। উপন্যাসখনৰ পটভূমি মানৰ আক্রমণ। উপন্যাসখন তিনিটা খণ্ডত বিভক্ত। প্রথম খণ্ডত আছে ৰহদৈ-দয়াৰামৰ প্রেমৰ কাহিনী। এইটি খণ্ডতেই ৰহদৈৰ প্রতি চন্দ্রকান্ত সিংহ আকৃষ্ট হয় আৰু বিয়া পতাৰ মানসেৰে ৰহদৈক ৰাঙলী বাহৰত ৰাখি থয়। কিন্তু সৌভাগ্যক্রমে বদনৰ মৃত্যুত চন্দ্রকান্ত সিংহৰ আশাত চেঁচাপানী পৰাত সাময়িকভাৱে ৰহদৈ ৰক্ষা পৰে। তদুপৰি ছদ্মবেশী বেজ হৈ দয়াৰামে ৰহদৈৰে সৈতে সম্পর্ক ৰক্ষা কৰিবলৈ যাওঁতে দয়াৰামক নির্বাসন দিয়াৰ পৰা আৰম্ভ কৰি ৰূপসিং বঙালৰ সৈতে ৰহদৈক বিয়া দিয়া, ৰূপসিঙৰ হাতৰ পৰা পলাই আত্মহত্যা কৰিবলৈ ৰহদৈয়ে ব্রহ্মপুত্রত জাপ দিয়ালৈকে প্রথম খণ্ড পৰিব্যাপ্ত। দ্বিতীয় খণ্ডত আছে তান্ত্রিক আগমানন্দৰ তান্ত্রিক শক্তিৰ বলত গাভৰু ৰহদৈ ষাঠি বছৰীয়া বৃদ্ধা হোৱা। শেষ তথা তৃতীয় খণ্ডত ৰহদৈ কৃষ্ণদাসী নাম লৈ বৈষ্ণৱিনী হোৱাৰ কথা আছে। দ্বিতীয় আৰু তৃতীয় খণ্ড দুটি যেন কৃষ্ণদাসী বৈষ্ণৱিনীৰ ইতিবৃত্ত।

সি যি কি নহওক, চন্দ্রকান্ত সিংহৰ ৰাজপাটত বহা সময়ৰ ৰজাঘৰীয়া পৰিবেশ, ডা-ডাঙৰীয়াসকলৰ কার্যকলাপ, অসমৰ পুৰণি ৰীতি-নীতি, ৰজা আৰু ৰাজবিষয়াসকলৰ ক্ষমতাৰ প্রতি লোভ, মানৰ আক্রমণত সাধাৰণ প্রজাৰ দুখ-দুর্গতি, আশ্রমনিবাসী সন্ন্যাসীৰ ঈশ্বৰ চিন্তা তথা বৈষ্ণৱ ধর্মৰ শ্রেষ্ঠত্ব প্রদর্শনলৈকে ৰৱদলৈয়ে ৰহদৈ লিগিৰী সামৰিছে।

থাম্বা-থোইবীৰ সাধু

'থাম্বা থোইবীৰ সাধু' দৰাচলতে উপন্যাস নহয়। লেখকেও হয়তো ইয়াক উপন্যাস হিচাপে ৰচনা কৰা নাই। সেয়েহে হয়তো তেওঁ সাধু শব্দটো ব্যৱহাৰ কৰিছে। ৰৱদলৈয়ে মণিপুৰীসকলৰ উপাস্য দেৱ-দেৰীৰ মাহাত্ম্য প্রকাশেৰে ইয়াক গঢ় দিছে। পুথিখনত প্রচুৰ পৰিমাণে অলৌকিক উপাদান আছে। তদুপৰি তাৰ মাজতে ইয়াত মণিপুৰী আচাৰ-নীতি, ধর্ম-কর্মও প্রকাশ পাইছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ 'দন্দুৱা দ্রোহ' উপন্যাসখনৰ মূল ভিত্তি কি?

.....

প্রশ্ন নং ৭ কিহৰ আদর্শত 'নির্মল ভকত' উপন্যাসখন ৰচিত হৈছে?

.....

৩.৫ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসৰ বিশেষত্ব

ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসসমূহ আলোচনা কৰিলে কিছুমান বিশেষত্ব আমাৰ চকুত পৰে। ৰৱদলৈয়ে ৰচনা কৰা নখন উপন্যাসৰ দুখনক বাদ দি সাতখনেই যে ঐতিহাসিক পটভূমিক আশ্রয় কৰি ৰচনা কৰা হৈছে সেই কথা আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ। এই আটাইকেইখন উপন্যাসলৈ দৃষ্টি নিক্ষেপ কৰিলে সততে যিবোৰ বৈশিষ্ট্য আমাৰ চকুত পৰে সেইবোৰ এনে ধৰণৰ, –

(ক) ৰোমান্সপ্রৱণতা ৰৱদলৈৰ উপন্যাসৰ এক বিশেষ বৈশিষ্ট্য। এই ৰোমান্স ৰৱদলৈয়ে স্কটৰ পৰা অনুকৰণ কৰিছে। স্কটৰ দৰে ৰৱদলৈয়েও তেওঁৰ প্রতিখন উপন্যাসৰ কাহিনীত কল্পনাৰ ৰহণ সানি বিভিন্ন কাল্পনিক চৰিত্রক ইতিহাসৰ লগত জড়িত কৰাৰ লগতে পাঠকৰ আগত তাক অধিক সজীৱ, প্রাণৱন্ত তথা আকর্ষণীয় ৰূপত তুলি ধৰিবলৈ যত্ন কৰিছিল। কাল্পনিক চৰিত্র হলকান্ত, মনোমতী, পমিলা, পদুমী, শান্তিৰাম, ৰহদৈ, ৰঙ্গিলী, নির্মল, দয়াৰাম আদিৰ বিপৰীতে চন্দ্রকান্ত, পূর্ণানন্দ, ৰদন চন্দ্র, সৎৰাম, হৰদত্ত, বীৰদত্ত, কলীয়া ভোমোৰা, ৰূপসিং, পিজৌ আদিক পোনপটীয়াভাৱে বুৰঞ্জীৰ বুকুৰ পৰা গ্রহণ কৰিছে। অৱশ্যে এটা কথা ঠিক যে ৰৱদলৈয়ে স্কটৰ ৰোমান্স প্রক্রিয়াক অনুকৰণ কৰিছিল। তথাপি অসমৰ পৰিস্থিতিৰ লগত খাপ খুৱাই চৰিত্র, পৰিৱেশ আদি ৰচনা কৰিব লগা হোৱা কাৰণে ইমান সক্রিয় ৰূপত ৰোমান্স সৃষ্টি কৰিব পাৰিছে বুলি ক'ব নোৱাৰি।

(খ) 'দন্দুৱা দ্রোহ' অথবা 'ৰাধা ৰুক্মিণীৰ ৰণ'ৰ দৰে দুই-এখনৰ বাদে প্রায়কেইখন উপন্যাসৰ কাহিনীতে ঐতিহাসিক ঘটনাৰ প্রত্যক্ষ প্রভাৱ দেখা নাযায়। উদাহৰণ স্বৰূপে 'ৰহদৈ লিগিৰী'ত আহোম স্বর্গদেউক ৰজাঘৰীয়াৰ ভিতৰ চ'ৰাৰ খেলি-মেলি দেখুৱাবলৈয়ে যেন উপস্থাপন কৰিছে। একেদৰে 'তাম্রেশ্বৰী মন্দিৰ'ত ধনেশ্বৰ-আঘণীৰ প্রেমৰ কাহিনীটোত ঐতিহাসিক ভিত্তি নাই। ৰৱং বন্দী ধনেশ্বৰক মুক্ত কৰিবলৈয়ে যেন মানৰ আক্রমণক টানি অনা হৈছে।

(গ) আন এটা বৈশিষ্ট্য হৈছে 'দন্দুৱা দ্রোহ' অথবা 'ৰাধা-ৰুক্মিণী'ৰ বাদে আন আটাইকেইখন উপন্যাসৰে ঐতিহাসিক চৰিত্রবোৰ গৌণ। 'ৰঙ্গিলী'ত সৎৰামক নায়ক ৰূপে দেখুৱালেও সি উপন্যাসখনৰ একমাত্র নায়ক ৰূপে চিত্রিত হোৱা নাই। অথচ তাৰ পৰিৱর্তে লক্ষ্মীকান্ত, দয়াৰাম, ধনেশ্বৰ কাল্পনিক হ'লেও একমাত্র নায়ক।

(ঘ) ৰৱদলৈৰ উপন্যাসৰ স্বকল্পিত প্রতিটো কাহিনীয়েই প্রণয়াত্মক। অবিবাহিত ডেকা-গাভৰুৰ যৌৱন সুলভ প্রেমে প্রতিকূল অৱস্থাৰ মাজেদি কেতিয়াবা বৈবাহিক মিলনৰ সুখাবহ পৰিণতি লাভ কৰাৰ বিপৰীতে আন কেতিয়াবা প্রতিকূল অৱস্থাক ভেদ কৰিব নোৱাৰি শোকাবহ বিচ্ছেদলৈ পর্যবসিত হৈছে। তাৎপর্যপূর্ণ এয়ে যে প্রণয়ৰ আকর্ষণ বিকর্ষণ প্রদর্শন কৰোঁতে ৰৱদলৈ সততে সামাজিক বন্ধন আৰু পৰম্পৰাৰ প্রতি সদা সচেতন আছিল।

প্রণয় কাহিনীটোৰ প্রতিবন্ধকৰ অৱলম্বন মুঠতে তিনিটা– (ৰ) প্রেমৰ প্রতিদ্বন্দ্বী সৃষ্টি কৰা (২) ঐতিহাসিক দুর্যোগ অৱতাৰণা কৰা আৰু (৩) নায়ক-নায়িকাৰ পৰিয়ালৰ মাজত বংশগত, খেলগত অথবা মর্যাদাগত বিৰোধ সৃষ্টি।

(ঙ) বৰদলৈৰ উপন্যাসৰাজিৰ ঘটনা পৰিণতিৰ ধৰণ দুটা। এটা অতিশয় শোকাবহ, য'ত আনন্দৰ আভাস শূন্য। আনটোৰ পৰিণতি শোকাবহ হ'লেও ভগৱৎ প্রেমক অন্তৰত আশ্রয় দি লৌকিক প্রেমৰ শোকাবহতা কিছু লঘু কৰা হৈছে। প্রথমটোৰ উদাহৰণ 'মিৰি-জীয়ৰী' অথবা 'দন্দুৰা দ্রোহ'। ইয়াৰ বিপৰীতে দ্বিতীয়টোত উদাহৰণ হিচাপে দাঙি ধৰিব পাৰি 'ৰঙ্গিলী' অথবা 'ৰহদৈ লিগিৰী'ৰ ভগৱত প্রেমৰ পৰিণতি।

(চ) বৰদলৈৰ উপন্যাসৰাজিত কোনো কোনো ক্ষেত্রত অস্বাভাৱিক বা অলৌকিক উপাদান প্রয়োগ কৰি তাৰ যোগেদি কাহিনী আগবঢ়াই নিয়া পৰিলক্ষিত হোৱা দেখা যায়। ইয়াৰ জৰিয়তে বহু ক্ষেত্রত চৰিত্র আৰু ঘটনাই ৰূপ সলোৱা দেখা যায়। এই ক্ষেত্রত বৰদলৈয়ে স্ব›Ÿ, ভে{¨বাজি, সম্মোহনি বিদ্যা, যৌগিক শক্তিৰ প্রভাৱক ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে 'তাম্রেশ্বৰী মন্দিৰ'ত বামাচাৰী তান্ত্রিকৰ সম্মোহন বিদ্যা, 'ৰহদৈ লিগিৰী' যোগবলত ৰূপহী গাভৰুৰ পৰা ৬০ বছৰীয়া বৃদ্ধা বৈষ্ণৱীলৈ ৰূপান্তৰিতকৰণ তান্ত্রিকতাৰে নামান্তৰ মাথোন।

(ছ) বৰদলৈয়ে তেওঁৰ উপন্যাসৰ কাহিনীসমূহত ৰাজনৈতিক ঘটনাৱলীৰ লগে লগে সমাজৰ ৰীতি-নীতি, ধর্মবিশ্বাস আৰু আচৰণ সংযোগ কৰি কাহিনীৰ কলেৱৰ পৰিপুষ্ট কৰি তুলিছে। 'মিৰি জীয়ৰী'ত মিৰি সমাজৰ নৰাছিঙা বিহু, মৰং ঘৰৰ পূজাৰ বর্ণনা তথা তেওঁলোকৰ সমাজত প্রচলিত আচাৰ-নীতি, 'ৰঙ্গিলী'ত অসমীয়া বিহুৰ দীঘলীয়া বর্ণনা, 'তাম্রেশ্বৰী মন্দিৰ'ত তামাৰ মাইৰ বিৱৰণ, নৰৰলী প্রথা, 'ৰহদৈ লিগিৰী'ত যোগ আৰু কায়াসাধনা 'নির্মল ভকত'ত বৈষ্ণৱ সাধন প্রণালী, 'মনোমতী'ত বৰপেটাৰ ফাকুৱা উৎসৱৰ বর্ণনা, ইত্যাদি বিশেষভাৱে মন কৰিবলগীয়া। এইদৰে তেওঁ য'তেই সুবিধা পাইছে, তাতেই কাহিনী, ঘটনা আৰু পৰিৱেশৰ লগত সুন্দৰভাৱে ৰজিতা খুৱাই অসমৰ ঐতিহ্যপূর্ণ বিষয়বোৰৰ প্রতি পাঠকক আকৃষ্ট কৰিবলৈ চেষ্টা কৰিছিল।

(জ) ধর্মৰ বিশেষ প্রভাৱ বৰদলৈৰ উপন্যাসৰ আন এক বিশেষ বৈশিষ্ট্য। ধর্মৰ ভিতৰত বৈষ্ণৱ ধর্মই বিশেষভাৱে প্রাধান্য বিস্তাৰ কৰা দেখা যায়। অর্থাৎ বৰদলৈয়ে বৈষ্ণৱ ধর্মৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰাৰ চেষ্টা তেওঁৰ প্রায় আটাইকেইখন উপন্যাসতে কৰিছে। নায়ক-নায়িকা অথবা আন চৰিত্রক প্রতিকূল অৱস্থাৰ পৰা উদ্ধাৰ কৰি নি ঈশ্বৰৰ ওচৰত আত্মসমর্পণ কৰোৱাই শান্তিৰ পথ দেখুৱাইছে। তদুপৰি সেই সময়ত অসমত প্রচলিত তান্ত্রিকতাকো গ্রহণ কৰিছে। ইয়াৰ বাহিৰেও শাক্ত ধর্ম, হঠযোগ আদিৰ প্রভাৱকো তেওঁৰ উপন্যাসত ঠাই দিছে।

(ঝ) বৰদলৈয়ে প্রতিখন উপন্যাস পূর্বে পৰিকল্পনা কৰিহে যেন ৰচনা কৰিছে। আগতেই কাহিনীটোৰ এটা মোটামুটি ধাৰণা কৰি উপন্যাস আৰম্ভ কৰিছে আৰু কাহিনীৰ অগ্রগতিৰ লগে লগে ন ন পৰিস্থিতি আৰু পৰিবেশ অনুযায়ী কল্পনা কৰি গৈছে। যাৰ বাবে কেতিয়াবা ঔপন্যাসিকৰ লেখনীয়ে বহু ক্ষেত্রত চালে-বেৰে কোবাই অবান্তৰ বা কাহিনীৰ ৰস পৰিণতিৰ বাবে অপ্রয়োজনীয় বিৱৰণো আহি জোঁটাপোটা খোৱা দেখা যায়।

(ঞ) বৰদলৈৰ উপন্যাসৰ গঠন ৰীতি বহুত পৰিমাণে গতানুগতিক। সৰুৰে পৰা পৰিচিত নায়ক-নায়িকাই ভুঁইতলী, বিহুতলী নাইবা আন সামাজিক উৎসৱত প্রেম নিবেদন কৰিছে, কেতিয়াবা পিতৃ-মাতৃৰ বাধাত পলাই গৈছে, ৰাজনৈতিক ধুমুহাই সিহঁতৰ জীৱন বিপদাপন্ন কৰি তুলিছে।

অৱশ্যে শেষত লগ লগায়ো দিছে অথবা চিৰ বিচ্ছেদ ঘটাইছে; বিচ্ছেদ ঘটাৰ পাছত সিহঁতে হয়তো ধৰ্মত শৰণ লৈ শান্তি লাভ কৰিছে। এয়ে প্ৰায় কেইখন উপন্যাসৰে থূলমূল গঠন বুলিব পাৰি।

2 ৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি উঠাৰ পাছত আমি অসমীয়া ঐতিহাসিক উপন্যাস আৰু ৰজনীকান্ত ৰৱদলৈৰ বিষয়ে যিখিনি তথ্য লাভ কৰিলোঁ তাক তলত উল্লেখ কৰা হ'ল–

- উপন্যাস হ'ল মানৱ জীৱনৰ সৰু-বৰ ঘটনাৱলীৰ কলাসম্মত প্ৰকাশ।
- 'জাত্ৰিকৰ-যাত্ৰা' অসমীয়া উপন্যাস পৰ্বৰ প্ৰথম শুভাৰম্ভণি।
- অসমীয়া উপন্যাসৰ প্ৰস্তুতিৰ কালছোৱাৰ উপন্যাসকেইখনৰ প্ৰধান বিষয়বস্তু খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ।
- পদ্মনাথ গোহাঞিবৰুৱাৰ 'ভানুমতী' অসমীয়া পূৰ্ণাংগ উপন্যাসৰ প্ৰথম আৰম্ভণি।
- অসমীয়া উপন্যাসৰ আদি কালছোৱাক বিশেষভাৱে ঐতিহাসিক উপন্যাসে প্ৰতিনিধিত্ব কৰিছিল।
- লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুম কুঁৱৰী' প্ৰথম অসমীয়া ঐতিহাসিক উপন্যাস।
- অসমীয়া উপন্যাস সম্ৰাট আৰু স্কট বুলিলে ৰজনীকান্ত ৰৱদলৈক বুজা যায়।
- ৰজনীকান্ত ৰৱদলৈয়ে অসমীয়া ঐতিহাসিক উপন্যাসক পূৰ্ণতা প্ৰদান কৰে।
- ৰজনীকান্ত ৰৱদলৈৰ প্ৰতিখন উপন্যাসৰ প্ৰতিটো কাল্পনিক কাহিনীয়েই প্ৰণয়াত্মক।
- তেওঁৰ প্ৰতিখন উপন্যাসেই নাৰী চৰিত্ৰ প্ৰধান।
- 'মিৰি জীয়ৰী' ৰৱদলৈৰ প্ৰথম আৰু 'ৰহদৈ লিগিৰী' তেওঁৰ শেষ উপন্যাস।
- 'মিৰি-জীয়ৰী' ৰৱদলৈৰ একমাত্ৰ সামাজিক উপন্যাস।
- ৰৱদলৈৰ উপন্যাসৰাজি বুৰঞ্জীমূলক হ'লেও 'দন্দুৰা-দ্ৰোহ' আৰু 'ৰাধা-ৰুক্মিণীৰ ৰণ'ৰ বাদে আনবোৰ উপন্যাসৰ প্ৰধান চৰিত্ৰবোৰ বুৰঞ্জীপ্ৰসিদ্ধ নহয়।
- বুৰঞ্জীমূলক উপন্যাস মানে বুৰঞ্জী নহয়, বুৰঞ্জী আশ্ৰয়ীহে।

O ৩.৫ অধিক জানিবলৈ

ড° সত্যেন্দ্ৰ নাথ শৰ্মাঃ অসমীয়া উপন্যাসৰ ভূমিকা

	অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
	অসমীয়া উপন্যাসৰ গতি প্ৰকৃতি
ড° মহেশ্বৰ নেওগ	অসমীয়া সাহিত্যৰ ৰূপৰেখা
ড° নগেন ঠাকুৰ (সম্পা.)	এশ বছৰৰ অসমীয়া উপন্যাস
ড° শৈলেন ভৰালী	অসমীয়া ঐতিহাসিক উপন্যাস
	উপন্যাস বিচাৰ আৰু বিশ্লেষণ
	আধুনিক ভাৰতীয় সাহিত্য
ড° পৰীক্ষিত হাজৰিকা	ৰজনীকান্ত বৰদলৈৰ উপন্যাস
বীৰেন বৰকটকী (সম্পা.)	ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ

U ৩.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ	Pilgrims Progress, ড° নাথান ব্ৰাউন
২নং প্ৰশ্নৰ উত্তৰ	এ কে গাৰ্নি।
৩নং প্ৰশ্নৰ উত্তৰ	পদ্মাৱতী দেৱী ফুকননী।
৪নং প্ৰশ্নৰ উত্তৰ	ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ সাহিত্যিক জীৱনত সৰ্বমুঠ নখন উপন্যাস ৰচনা কৰিছিলে।
৫ নং প্ৰশ্নৰ উত্তৰ	'বহুদৈ লিগিৰী' এখন সামাজিক বিষয়বস্তুযুক্ত উপন্যাস।
৬নং প্ৰশ্নৰ উত্তৰ	উপন্যাসিক ৰজনীকান্ত বৰদলৈয়ে বুৰঞ্জী আৰু জনশ্ৰুতিৰ সংমিশ্ৰণত বদন বৰফুকনৰ অত্যাচাৰৰ বিৰুদ্ধে হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত কামৰূপত সংঘটিত হোৱা বুৰঞ্জী প্ৰসিদ্ধ দন্দুৱা দ্ৰোহক ভিত্তি কৰি 'দন্দুৱা দ্ৰোহ' উপন্যাসখন ৰচনা কৰিছে।
৭নং প্ৰশ্নৰ উত্তৰ	টেনিছনৰ 'এনক আৰ্ডন' (Enoch Arden) উপন্যাসৰ মূল আদৰ্শত 'নিৰ্মল ভকত' উপন্যাসখন ৰচিত হৈছে।

M ৩.৭ আহিঁ প্ৰশ্ন

১। উপন্যাসৰ এটি সংজ্ঞা দিবলৈ যত্ন কৰক। উপন্যাসৰ প্ৰধান উপাদান কেইটা আৰু কি কি আলোচনা কৰক।

২। আৰম্ভণিৰ পৰা ১৮৯০ চনলৈকে অসমীয়া উপন্যাসৰ এটি বিৱৰণ দাঙি ধৰক।

৩। 'প্ৰাৰম্ভিক কালছোৱাৰ উপন্যাসখিনি প্ৰকৃত উপন্যাস নহয়, উপন্যাসধৰ্মী ৰচনাহে'– আলোচনা কৰক।

৪। ১৮৯১ চনৰ পৰা ১৯৪০ চনলৈকে অসমীয়া উপন্যাসৰ বুৰঞ্জীৰ কথা আলোচনা কৰক।

৫। প্ৰথম ঔপন্যাসিক হিচাপে পদ্মনাথ গোহাঞিবৰুৱাৰ উপন্যাসৰাজিৰ পৰিচয় আগবঢ়াওক।

৬। কিহৰ ওপৰত ভিত্তি কৰি অসমীয়া উপন্যাসসমূহক বিভিন্ন ভাগত ভাগ কৰিব পাৰি আলোচনা কৰক।

৭। ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰাজিৰ পৰিচয় যুগুতাওক।

৮। ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাসকেইখনৰ টোকা লিখক।

৯। অসমীয়া উপন্যাস সাহিত্যলৈ ৰজনীকান্ত বৰদলৈৰ অৱদান সম্পৰ্কে আলোচনা কৰক।

১০। ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

১১। 'ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ প্ৰায়খিনিয়েই নাৰী চৰিত্ৰ প্ৰধান'– আলোচনা কৰক।

১২। বৰদলৈৰ উপন্যাসৰাজিত স্কট আৰু বঙ্কিমচন্দ্ৰৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

১৩। চমুকৈ লিখক–

(ক) ঐতিহাসিক উপন্যাস

(খ) সামাজিক উপন্যাস

(গ) ৰেজবৰুৱাৰ পদুমকঁুৱৰী

(ঘ) উপন্যাসৰ কাহিনী

(ঙ) ৰজনীকান্ত বৰদলৈ

(চ) দণ্ডিনাথ কলিতা